# ব্ৰহ্মপুত্ৰই
# আমাক
# ওভোতাই দিলে

ড° ভৃগুমোহন গোস্বামী

# ব্ৰহ্মপুত্ৰই আমাক ওভোতাই দিলে

ASSAM WOMEN'S UNIVERSITY
Library

ড° ভৃগুমোহন গোস্বামী

Central Library
Assam Women's University
Accession No.: 0538
Date: 19/09/22

BRAHMAPUTRAI AMAK OBHOTAI DILE : ( The Brahmaputra Sends Us-Back) – A Drama in real-life by Dr. Bhrigumohon Goswami ; North Gauhati College, Published by Sri Kamaleswar Das, Jyoti Book House, Mirza
Price Rs. 3 00 First Edition : January 1990

প্ৰকাশক :—শ্ৰীকমলেশ্বৰ দাস, জ্যোতি বুক হাউচ, মির্জা

প্ৰথম প্ৰকাশ : জানুৱাৰী, ১৯৯০ খ্ৰীষ্টাব্দ

মুদ্ৰক : শ্ৰীটিকেন্দ্ৰ নাথ দাস, কংগ্ৰেছ প্ৰেছ : গুৱাহাটী ৭৮১০০১

মূল্য— ৩·০০ টকা ( তিনি টকা )

লিখক— ড° ভৃগুমোহন গোস্বামী, উত্তৰ গুৱাহাটী মহাবিদ্যালয়
( লিখকৰদ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত )

বেটুপাত :— ত্ৰৈলোক্য দত্ত

প্ৰাপ্তি স্থান— ১। জে, জে, এণ্টাৰপ্ৰাইজ, উজানবজাৰ গুৱাহাটী—১
২। জ্যোতি বুক হাউচ, মির্জা
৩। ৰজত প্ৰকাশ, শালমাৰা, পোঃ ডুমুনি চকী, কামৰূপ

# অৰ্ঘ্য

যি পাহি ফুল "ব্ৰহ্মপুত্ৰই আমাক ওভোতাই দিলে"
সেই পাহি ফুলৰ অৰ্ঘ্য উত্তৰ গুৱাহাটী
সাহিত্য কাননলৈ আগবঢ়ালোঁ।

উত্তৰ গুৱাহাটী কলেজ
গুৱাহাটী ৭৮১০৩১
জানুৱাৰী ১৯৯০ চন

শ্ৰীভৃগুমোহন গোস্বামী

891.4513
GOS

নিশ্চিত মৃত্যুৰ মুখত : এদিনৰ ডায়েৰিখনৰ কেই খিলামান উঁয়ে খোৱা পাত পঢ়ি উৎপলে "ব্ৰহ্মপুত্ৰৰ বুকুত মৰণৰ মুখত' নাম দি ছপাবলৈ ক'লে। লগতে ক'লে "গোস্বামী দা, ইয়াত যোগ দিব লগীয়া কথা আছে। বিয়োগ কৰিব লগীয়া কথা নাই— যেনে জাহাজখনৰ বৰ্ণনা আৰু অলপ বঢ়াব লাগিছিল।"

ই মোৰ ডায়েৰিহে। সেয়ে উৎপল দত্তৰ উপদেশখিনি পালন কৰিবলৈ পাচলৈ পিচুৱাই থলোঁ। ত্ৰৈলোক্য দত্তৰ তুলিকাৰ আঁকত ডায়েৰি খনৰ বেটুপাতে নাম পালে 'ব্ৰহ্মপুত্ৰই আমাক ওভোতাই দিলে'। ৰ'দ, বৰষুন, ধুমুহাৰ মাজতো ব্ৰহ্মপুত্ৰই সহন-গহন হৈ তেওঁৰ বুকুৰ ওপৰেদি আমাক ইপাৰৰ পৰা সিপাৰলৈ আৰু সিপাৰৰ পৰা ইপাৰলৈ যুগ যুগ ধৰি অনা নিয়া কৰি আছে। ব্ৰহ্মপুত্ৰই কোনো সন্তানকে মৃত্যু মুখলৈ ঠেলি নিদিয়ে— তাৰে প্ৰমাণ হিচাপে এই ক্ষুদ্ৰতম ডায়ৰিখনত দুশাৰীমান লিখিলোঁ— ডায়েৰি পাঠকসকলে মোৰ দোষ ত্ৰুটিবোৰ ক্ষমা কৰে যেন।

—ভৃগুমোহন

# ব্ৰহ্মপুত্ৰই আমাক ওভোতাই দিলে

## ডায়েৰি—১ঃ নিশ্চিত মৃত্যুৰ মুখত।

২ মাৰ্চ। ১৯৮১ চন। সোমবাৰ। দিনত দহ বাজি ১৫ মিনিত গৈছে। ১৮ ফাগুন। কৃষ্ণা একাদশী। ১৯০২ শকাব্দ।

বাতিপুৱাৰ পৰা বতাহ। ধূলিৰ বতাহ। ফাগুন মাহ। পচোৱা বতাহ। প্ৰতিবছৰে এইখিনি সময়ত বৰ লুইতত ঢৌ উঠে। আজিও ঢৌ উঠিব বুলি মই কিন্তু নিশ্চিত। প্ৰতিবছৰে বুঢ়া লুইতৰ যৌৱন ভেদ কৰি পানচৈ (পানশৈ) বাঘবৰ নতুবা মানসৰ বুকুত বহি বাবা ব্ৰহ্মপুত্ৰৰ লগত কথা পাতি পাতি (মুখত হাঁহি পেটত বাবালৈ ভয় ৰাখি) অলেখ মানুহ সিপাৰৰপৰা ইপাৰ নাইবা ইপাৰৰপৰা সিপাৰ হওঁ (অৰ্থাৎ গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটী—উত্তৰ গুৱাহাটীৰপৰা গুৱাহাটী) আজিও সেই একে নিচিনা ঘটনাই হব বুলি ভাবি মই কলেজলৈ ৯-৩০ বজাত ওলালোঁ। প্ৰথমে গীতাই কলে, "আজি বতৰটো বেয়া চি, এল লওঁক। মাজনীয়ে কলে, "দেউতা যাব নেলাগে দিয়া।" জুনজুনীয়ে ক'লে, "নাযাবা না দে-উ-তা।" ইমনে মুখ ল'ৰালে (তাৰ মাত তেতিয়াও ওলোৱা নাছিল)। 'পদ্দাই' "দাদা আজি যাব নাল্‌গে দেক্" বুলি কলে। তাইৰ কথাত একো গুৰুত্বই নিদিলোঁ। যাওঁ নেযাওঁ একো নকলোঁ।

"বেনুধৰ শৰ্মাৰ অভিনন্দন গ্ৰন্থ" আৰু "ফুল চন্দন" এই দুখন কিতাপ মোৰ জোলোঙাখনত সুমুৱাই ললোঁ। কিতাপ এখনৰ মাজত প্ৰয়াত শৰ্মাদেৱৰ বিষয়ে প্ৰবন্ধ এটা লিখিম বুলি গোটাই লোৱা টোকোৰা চৰাইৰ কুটা কেইডাল মান আৰু নিলিখা দুখিলামান কাগজ। তাকে সুমুৱাই লৈ মোৰ বাওঁকান্ধত জোলোঙাখন ওলোমাই

ললোঁ । বাৰোৱাৰী চ'কত চিটি বাচত ওলমি গৈ "কমাৰ-পট্টিত" নামিলোঁ । নামিয়ে ধীৰেন কলিতাক লগ পালোঁ । মনত এটা সাহ পালোঁ । তেখেতক দেখিলে মোৰ মনলৈ সাহ আহে । কলিতাক সুধিলোঁ, "যাব পাৰিমনে কলিতা ?" কলিতাই তপৰাই ক'লে, "কিয় নোৱাৰিম, পাৰিম । ভয় নকৰিব ।" ৰাজআলিৰপৰা জাহাজ ঘাটেৰে নামি 'পানশৈ'ত উঠিলোঁ । ঢৌৰ ফালে চালোঁ । যাব পাৰিম । বেছি ঢৌ নাই । জাহাজত টিকট দি আছে । ৩০ পইচাৰে টিকট এটা লৈ জেপত ভৰাই ললোঁ । জাহাজৰ মানুহে ক'লে, "আজি ঢৌ বেছি, পানশৈ নেযায়, "মানস" হে যাব ।" তেতিয়া মনটোত আৰু সাহস পালোঁ । কিয়নো পানশৈতকৈ মানসখন তুলনামূলক ভাবে নিৰাপত্তা জনক । মানস খন ঘাটত লগালে । পানশৈৰ পৰা গৈ "মানসত" উঠিলোঁ । এনেতে বায়নক (প্ৰবোধ চন্দ্ৰ বায়ন) অহা দেখিলোঁ । আৰু সাহস পালোঁ । তাৰ পিচত কোন ক'ত লগৰীয়া আহিল তিলকতে চাই ললোঁ । সন্ধ্যা দাস, যতীন চৌধুৰী, গাংগুলী (কালিপদ), প্ৰতাপ বৰ্মন আৰু অনেক । তেতিয়া আৰু কোন ক'ত আছে মোৰ বিশেষ খবৰ নাই । বতৰ বেয়া হলেও মোৰ চিন্তা বেনুধৰ শৰ্মা । মই 'ফুল চন্দনখন" বেগৰপৰা উলিয়াই ললোঁ । তৃতীয় শ্ৰেণীৰ কৰ্ম্মী উমেশক শৰ্মাক) দেখা পালোঁ । আজি বিদায় সভা । উত্তৰ গুৱাহাটী কলেজৰ ২য় বাৰ্ষিক পি, উ আৰু ২য় বাৰ্ষিক বি, এ উভয় ছাত্ৰকে কলেজে সিদিনা বিদায় দিয়াৰ কথা আছিল ।

মই লিখা গীত এটা গাব । তাৰে কলি এটা মনলৈ আহিল—

মনৰ দুৱাৰ খুলি
সম্ভাষণ জনাও
হে তৰুণ,
যুঁজাৰুৰ দল
ফুলি উঠক
জীৱনৰ শতদল ।





* * * * * * *
* * * * * * *

বিদায় সভালৈ উমেশ শৰ্মাই অনা মিঠাইৰ দুটা ডাঙৰ টোপোলা দেখিলোঁ । লগত আহিছে অৰবিন্দ পাঠক । ২য় বাৰ্ষিকৰ বি, এ শ্ৰেণীৰ ছাত্ৰ । বেনুধৰ শৰ্মাৰ 'ফুল চন্দন'ত চকু দিছোঁ । মন বহা নাই । ঢৌৰ চিন্তা আছে । তথাপি পঢ়ি আছোঁ । কি পঢ়িছোঁ মনত নাই । মোৰ বাওফালে বায়ন বহিছিল । আমি জাহাজৰ টিঙৰ কাষতে লাগি থকা দীঘল চকীখনত বহিছিলোঁ । মোৰ আনফালে উত্তৰ গুৱাহাটীৰ এজন সাহসী ডেকা (নামটো নেজানো) । জাহাজ তেতিয়া ঘাটৰ পৰা এৰি দিছে । মাজমান পোৱাত গাত ঢৌ লাগিলহি । "ফুল চন্দন" খন মোনাৰ ভিতৰত থলোঁ । তেতিয়া বেনুধৰ শৰ্মাৰ চিন্তা পাতলিল । ঢৌ বেছি হ'ল । থিয় দিলোঁ । চেয়াৰখন লৰচৰ কৰিব ধৰিলে । লৰচৰ কৰাই নহয় সেইখন আৰু সন্মুখৰ চেয়াখনো বাগৰি গ'ল । কাণ্ড কি ! আজি কি বেপাৰ !!

মনলৈ আহিল—
"জানিলোহো বন্দি ভৈলো বিধাতাৰ পাশে ॥
আমাক ৰাখিবে আৰে কমন বান্ধবে ।
অন্তকালে গতি মোৰ কেৱলে মাধৱে ॥

বায়নৰ গা পানীৰে বেচ্ তিতি গ'ল । মোৰো । মই কলোঁ, "আজি বেচ তিতিলোঁ, বায়ন ।" বায়নে ক'লে, "আপোনাতকৈ মই বেছি ।" তেতিয়াও মৰিম এই ভাব অহা নাই । বাচি-মেই । পাৰ পাম । কলেজলৈ ৰিক্সাত উঠি যাম । বিদায় সভা পাতিম আৰু মিঠাই খাম । অনেক আশা । কিন্তু হঠাতে কি হ'ল ! জাহাজৰ ইঞ্জিন বন্ধ । উঠোতেও নাও বুৰে । নামোতেও নাও বুৰে । পাৰ পাবলৈ ২০০ গজমান বাকী আছিল । সকলোৰে চিঞৰ বাখৰ লাগিল । নাওঁ ! নাওঁ !! নাওঁ !! কাৰো শব্দ কোনেও শুনা নাই ।

ময়ো একো নুশুনা হলোঁ । থিয় হৈ মই আৰু উত্তৰ গুৱাহাটীৰ সাহসী ডেকা জনৰ মুখা মুখী হলোঁ । ক্ষন্তেকতে তেওঁ এবাৰ মোলৈ, মই এবাৰ তেওঁলৈ চালোঁ । বায়ন কলৈ গ'ল কব নোৱাৰিলোঁ । সকলোৰে আৰ্ত্তনাদ । চিঞৰৰ বাথৰ । "হৰি বল" "হৰি বল" শব্দ । ধীৰেন কলিতালৈ চালোঁ । গুলি খোৱা বাঘটোৰ দৰে গুজৰিছে । "চাইৰেন ! চাইবেন !! চাইৰেন !!! , লংগৰ !!, লগি-লগি !! ৰচি, ৰচি, ৰচি । একো নাই । জাহাজ খালী । নাওঁ অহা আশা শেষ । জীৱনৰ আশা শেষ । সকলোৰে মন একত্ৰিত । সকলো শেষ পথৰ যাত্ৰী । মাজে মাজে 'হৰি বোল' 'হৰি বোল' আৰু 'কান্দোনৰ' ৰোল । জাহাজ অশ্বক্ৰান্ত পাইছিলগৈ । পাৰ পাবলৈ ২০০ গজ বাকী আছিল । কিন্তু লাহে লাহে জাহাজ পিচুৱাই পুনৰ পৰ্বত সদৃশ ঢৌতে সোমালহি । ইফালে জাহাজৰ ইঞ্জিন বন্ধ । কোনোমতে ভাল নহয় । ধীৰেন কলিতাই কিবা চিঞঁৰা যেন গম পাই আছোঁ । কি কৈছে কব নোৱাৰো । মই একে ঠাইতে সেই ডেকা জনৰ মুখা মুখীকৈ থিয় হৈ আছোঁ । সন্ধ্যা দাসে 'লাইফ বয়' এটাত ধৰি আছে । যতীন চৌধুৰীয়ে "আজি কি হ'ল" "আজি কি হল" বুলি ঘুৰা দেখা পালোঁ । তেওঁৰ গলত 'লাইফ জেকেট এটা ওলমি আছে । বায়নে মোজা খুলিছে । সিংহপুৰুষ সাতুৰি পাৰ হ'ব । সাৱধান !! মোৰ আশা নাই । ভাষা নাই । মই মৰিম । মই এই ঢৌত কেতিয়াও সাতুৰিব নোৱাৰিম । সাতুৰিব পাৰো যদিও অলপ দূৰ গৈয়ে মোৰ উশাহ বন্ধ হ'ব অৰ্থাৎ হাৰ্টফেল কৰিম । গতিকে জাহাজতে থাকোঁ । জাহাজ বুৰে যদি ময়ো বুৰিম । জাহাজ নুবুৰালৈ সাহস আছে । এই মহাবিপদৰ মাজতো চিন্তা আহিল । ল'ৰা-ছোৱালীৰ কি হ'ব ! সিহঁত নিচেই সৰু । ল'ৰাৰ মাতেই ফুটা নাই । গীতাৰ চিন্তা অহা নাই । তেওঁ কিবা কৰি খাব । কিন্তু ইহঁতৰ কি হ'ব !!

মই জীয়াই থকাৰ আশা এৰি দিলোঁ । সিহঁতক জীয়াই ৰাখিবলৈয়ে

ব্ৰহ্মপুত্ৰই আমাক



ধুমুহাৰ মাজত আহিছিলোঁ । গতিকে ময়ে যাব লগীয়া হ'লো যেতিয়া সিহঁতৰ যি হয় হ'ব আৰু । ভগৱানে বচাব বুলি ভাব এটা আহিল । মানুহৰ শেষ আশ্ৰয় স্থল **'ভগৱান'** । আজি বেচ প্ৰমাণ পালোঁ । এনেবোৰ চিন্তাৰ মাজতে জাহাজে এঢোক এঢোক কৈ পানী খাই খাই ঢৌৰ লগত সংগ্ৰাম কৰি মানুহৰ কোনো সহায় নোলোৱাকৈ এই নিৰ্জীৱ পদাৰ্থটোয়ে আমাক বুকুত কেচুৱা বান্ধি ৰখা দি ৰাখিছে । কেচুৱা-বোৰে কান্দিছে !! কান্দক । তেওঁবটো উপায় নাই । ঢৌৰ লগত খেলা । মানুহে যিদৰে সাজিছে সেইদৰেহে কাম কৰিছে । মানুহ আৰু জাহাজৰ মিল আছে । তথাপি মানুহ আজি হাৰিল । প্ৰকৃতিৰ উপাদানৰ জয় হ'ল । জাহাজ নুবুৰিল । ঢৌৰ লগত খেলা কৰি কৰি জাহাজ ভৰলুৰ পাৰ পালেগৈ । ভৰলুৰ মাজত ব্ৰহ্মপুত্ৰৰ বালি । বালিয়ে ভৰলুক পৃথক কৰিছে । উজাই ৰব লগীয়া হৈছে । বাৰিষা আহিলে আকৌ লগ হব । ( তেতিয়া এই ভাব অহা নাছিল ) । মাত্ৰ মোৰ ভাব আছিল জাহাজ কৰবাৰ বালিত লাগিবই । আমি বাচিমেই । ইমানবোৰ মানুহ আমি একেলগে কেতিয়াও নমৰোঁ । যুদ্ধত একে-লগে ইমান মানুহ মৰিব পাৰে । কিন্তু এনেকৈ আমি মৰিমনে ? কেতিয়াও নমৰো । মৰোৰ মাজতে নমৰোৰ ভাব । এই ভাবতে পাৰ পোৱা যেন পালো । সিপাৰৰ পৰা জাহাজখন ইপাৰ পাওঁ পাওঁ হওঁতে আকৌ মানুহৰ চিঞৰ লাগিল । লংগৰ পেলা পেলা ! জাহাজ বাচি গৈছে !! জাহাজ আৰু নুবুৰে । কোনো কোনোৰ চিঞৰ । নাওঁ, নাওঁ, নাওঁ, । ইপাৰে মাত্ৰ এখন নাও আছিল । লগত বিহাৰী ডেকা আঠজন । অসমীয়া এজন । সেই অসমীয়া ডেকাজনেই নাওখন খৰখেদাকৈ জাহাজৰ কাষলৈ চলাই আনিলে । তেতিয়াও ঢৌ কমা নাই । আছে । কিন্তু সেই ঢৌ পাৰৰ ঢৌ । মাজ সাগৰৰ ঢৌ নহয় । তথাপি সেই ডেকাজনক ধন্যবাদ । কোনো স্বাৰ্থ নোহোৱাকৈ মানুহক বচাবলৈ আগবাঢ়ি আহিছে । জাহাজৰ পৰা এডাল ৰচী লৰাজনে টানি নিলে । হঠাতে কোনোৱে আৰ্ত্তনাদৰ

ওভোতাই দিলে

সুৰত জাহাজৰ পৰা ক'লে, "ৰচি এৰ। লংগৰ পেলা"। এইবাৰ ডেকা-জনে নিবলৈ আগবাঢ়ি আহিল। জাহাজৰ মানুহৰ তেতিয়াও খবৰেই নাই। জাহাজত কাম কৰা মানুহে লংপেণ্ট কোচাইছে। কিন্তু পানীত নমা নাই। পানীত নমাৰ সাহস কৰা নাই। মোৰ কাষত থকা ডেকা জনে কলে, "নমব দে নামি যা"। সেই নাৱৰীয়া কেইজনে আমাক বচাবলৈ আহিছে তহঁতে কি চাই আছ। এয়ে চাকৰি নেকি ?" সিহঁতৰ মাত নাই।' "জীয়াই থকাৰ সিহঁতৰো মোহ। জীয়াই থাকিবলৈয়ে লাগে চাকৰি। এইবাৰ বায়নে গৰ্জি উঠিল, এই মানুহ কেটাৰ নাম লিখিবা লাগে। "এই নাৱৰীয়া জনোক পুৰস্কাৰ দিব লাগে আৰু এই চাহাবহঁতক জাহাজৰপেৰা-খেদ্‌বা লাগে। মানুহৰ জীৱনকলৈ ইহাতোৰ খেলা।" মনে মনে ভাবিলোঁ জীয়াই থকাৰ মোহ কাৰ নাই ? চাকৰি কৰি চিল-চিলিয়া হৈ থাকিব কোনে নিবিচাৰে ! সেয়ে ক ত পানীত নামিব। বায়ন শাঁত হোৱা নাই ' গৰ্জি আছে। ধীৰেন কলিতাই গৰ্জি উঠিল। অকল গৰ্জাই নহয়। বায়ন আৰু তেওঁ নাৱত জাপ মাৰি উঠিল আৰু ক'লে, "ব'ল ব'ল-ডাইৰে ক্টৰক মাতি আনো ব'ল। মানুহৰ জীৱনক লৈ খেলা খেলে। যদি জাহাজ খন বেয়া বুলি জানেই কিয় পঠাইছিল ? জাহাজত একোৱেই নাই।" নাৱৰপৰা বায়নৰ মাত শুনিলোঁ, "আমি নাহাক লেগি কোনো নেযাব। আমি সেহতোকলৈ আহিম। পানীৰ মাজত ঘূৰি ফুৰা দেখচি তথাপি কোনো নাহে।" বায়ন আৰু কলিতাই নাৱেৰে গৈ বালি পালে। তেওঁলোকে বালিয়ে বালিয়ে লৰি যোৱা দেখিলোঁ। তাৰ পিচত নাৱখনে এজন এজনকৈ মানুহ জাহাজৰ পৰা নমাই নিব ধৰিলে। সন্ধ্যা দাস পাৰ হ'ল। তাৰ পাচত যতীন চৌধুৰী, মই, প্ৰতাপ বৰ্মন, গাংগুলী এজন এজনকৈ পাৰ হলোঁ। পাৰহৈ বালিৰ চাপৰিত ৰ'লোঁ। কিয়নো বায়নহঁতে যাবলৈ বাধা দিছে। তেওঁলোক ঘূৰি অহালৈ বাট চালোঁ। এনেতে "লুহিত"খন অহা দেখা পালোঁ। আমাৰ জাহাজ

ব্ৰহ্মপুত্ৰই আমাক



খনৰ কাষলৈ আহি আছে। তেতিয়া সকলো বাচিছোঁ। মৃত্যুৰ কোনো কাৰণেই নাই। জাহাজখন অহা দেখি সকলোৰে খং। "এতিয়া আহিছে। আমাক জাহাজ নেলাগে ! আমি বালিৰ চাপৰিয়ে চাপৰিয়ে গৈ থাকিম।" জাহাজখনে "মানস"খনহে টানিলৈ গ'ল। আমি তাতে বৈ থকাৰ কাৰণ দেখা নেপালোঁ। গাংগুলী ইতিমধ্যে গৈছেই। মই, প্ৰতাপ বৰ্মন, যতীন চৌধুৰী আৰু সন্ধ্যা একেলগে গৈ আছোঁ আমাৰ লগত ছোৱালী-স্কুলৰ শিক্ষয়ত্ৰী এগৰাকীয়ো ( বিন্দ্ৰালী দেবী ) আছিল।

এতিয়া আকৌ জীয়াই থকাৰ মোহ আহিল। জীয়াই থাকিম। নমৰোঁ। এই চিন্তা। ভৰলুৰ লেতেৰা পানী খচি পাৰ হলোঁ। মাছখোৱা পালোঁ। তাৰ পাছত ফাচী বজাৰ। চাহ। চাহ। চাহ। সন্ধ্যাক কলোঁ, "নিশ্চিত মৃত্যুৰ পাচত এতিয়া তুমি চাহ খুউৱা।" সন্ধ্যাৰ মুখত হাঁহি। মৃত্যুৰ মুখৰ পৰা ঘূৰি অহাৰ হাঁহি। সকলোৰে মুখে মুখে হাঁহি। প্ৰতাপ বৰ্মনে ক'লে "মৃত্যুটো বৰ ডাঙৰ। সেয়ে মৰা ইমান সহজ নহয়।" আমি সকলোৱে 'হয় হয়' কৰিলোঁ।

অৱশ্যে তেতিয়াও বুকুৰ পৰা একেবাৰে ধপধপনি মাৰ যোৱা নাছিল। তথাপি। ফাচীবজাৰত চাহৰ দোকানত সোমাই চাহ খালোঁ। বৰ তৃপ্তিৰে। ভাগৰেৰে। মনৰ দুখেৰে। মনৰ আনন্দেৰে ৮ মৃত্যুৰ দুৱাৰ খুলি জীৱন ঘূৰি অহাৰ কি আনন্দ ! কি তৃপ্তি ! বুজি পালোঁ। বৰ্মনে ক'লে, "গোস্বামী, আপুনি এই ঘটনা লিখিব। বৰ জীৱন্ত ভাবে লিখিব। লিখিব কিন্তু !" ময়ো কৈ থ'লোঁ, "লিখিম বাৰু"। আকৌ "চাও বাৰু" বুলিও কলোঁ। কিয়নো তেতিয়াও সুস্থ হব পৰা নাছিলোঁ। তথাপি ... ........... ।

আহিলোঁ। চাহৰ হোটেলৰ পৰা। চাহৰ হোটেলৰ পৰা ওলাই আহি জুই লগা ঘটনা এটা দেখিলোঁ। মাছখোৱাতে। হায় ভগৱান ! চাৰি-ওফালে বৰদৈচিলা উৰিছে। জুই লগা কাহিনীতকৈ আমাৰ কাহিনী

ওভোতাই দিলে

কোনো গুণে কম নহয়। সঁচা কথা যদিও কাহিনী শব্দটো মনলৈ আহিছিল। ইয়াৰ পাচত কলিতা আৰু বায়নক বিচাৰিছিলো।

হঠাতে কালেজৰ এজন ছাত্ৰ লগ পালোঁ। তেওঁৰপৰা জানিব পাৰিলোঁ কলিতাহঁত ডাইৰেক্টৰৰ তালৈ গৈছে। কলৈ যাওঁ! তেওঁলোকক লগ নধৰিলেও বেয়া পাব! আকৌ জাহাজঘাট পালোঁ। তেতিয়া ১২ বাজিছে। ইমান সময় জীয়াই থকাৰ সংগ্ৰাম। ১২-বাজি ১৫ মিনিত যোৱাত ফেৰীৰ মানুহ পুনৰ জাহাজত উঠিছে। ভাবিলোঁ, "এই মানুহ খিনিৰ দশাও আমাৰ নিচিনাই হব। যাবলৈ বাধা দিও।" এনেতে জাহাজৰ মানুহ দুজনক লগ পালোঁ। তেওঁলোকে ক'লেহি, "জাহাজ আজি নিনিও আৰু।" জাহাজত মানুহ উঠিছিল। মানুহটো যাবই বিচাৰিব!" কিন্তু সিদিনা তেতিয়ালৈ জাহাজ আৰু সিপাৰলৈ যোৱা নাছিল। মই ঘৰলৈ ঘূৰিলোঁ। চিটি বাচত উঠিলোঁ। উজান বজাৰত নামিলোঁ! চিটি ষ্টুডিওত সোমাই বাতৰিটো দিও বুলি মায়া তামুলীক বিচাৰিলোঁ। তেওঁ নাই। ধনী বৰাক লগ পাই ঘটনাটো চমুকৈ কৈ গলোঁ। তেখেতে ক'লে, "ময়ে তামুলীক কম বাৰু। মইতো ঘটনাটো শুনিলোৱেই।" মই বাতৰিতকৈ ঘৰ পোৱাৰ আগ্ৰহ বেছি হল। কিয়নো গীতাৰ বাধাই সঁচা হ'ল। মাজনীহঁতবো। সিহঁতৰ কাষ চাপিবলৈ মন গ'ল। ঘৰ পালোঁ। সকলো ঘটনা ঘৰত কলোঁ। সুন্দৰ টোপনী এটা মাৰিলোঁ।

৩ মাৰ্চ। কলৈকো নগ'লোঁ। কলেজলৈকো। সন্ধ্যাই খবৰ লব আহিছিল। মই ক'লো, "আজি আৰু কলৈকো নেযাওঁ। কালিযে বাচিলোঁ তাৰ বাবে আজি জিৰণি।"

৪ তাৰিখেও ডায়েৰি লিখা নহ'ল। ৫ মাৰ্চত বাতিপুৱা ৩ বাজি ৫৮ মিনিট যোৱাত ডায়েৰি লিখা আৰম্ভ কৰিলোঁ। ৫ বাজি ৪০ মিনিট যোৱাত ডায়েৰি লিখা শেষ হ'ল।

ব্ৰহ্মপুত্ৰই আমাক



২ মাৰ্চৰ দিনা দহ বাজি ১৫ মিনিট যোৱাত বুঢ়া লুইতৰ ঢৌৰ লগত উটি ভাহি ফুৰা ঘটনা লিখি ৫ মাৰ্চৰ দিনা কলেজলৈ গলোঁ। দহ বাজি ১৫ মিনিট যোৱাত। সেই একেখন জাহাজতে। "মানস"ত। মোৰ লগত ডায়েৰিখন। অধ্যাপক প্ৰতাপ বৰ্মনক গৈয়ে ডায়েৰিখন জাহাজৰ ওপৰতে দিলোঁ। লওঁক এয়া মোৰ ডায়েৰি। আপোনালোকৰ "ডায়েৰি" ইয়াত সংযোগ কৰিব। কিয়নো মইটো নেজানো সেই সময়ত আপোনালোকৰ মনত কি ভাব খেলি আছিল। মই আপোনালোকৰ প্ৰতিক্ৰিয়াহে লক্ষ্য কৰিছিলোঁ।" এনেতে ডায়েৰিলৈ টনা আজোৰা। যতীন চৌধুৰীয়ে, প্ৰতাপ বৰ্মনৰ হাতৰ পৰা "ডায়েৰি" খন কাঢ়ি নিলে। "মনে মনে পঢ়াত লাগিল।" অধ্যাপক পৰমা কলিতাই কলে, "ডাওৰকৈ পঢ়ক। শুনো। এই কথা গীতাক কলে তেওঁ এটা কবিতা লিখিব পাৰিলে হয়।" ইত্যাদি ইত্যাদি। সেই একেখন জাহাজ গৈ আছে লুইতৰ বহল বুকুৰ ওপৰেদি। একেখন নদী। এদিন ইমান উগ্ৰ আৰু আন এদিন ইমান শান্ত! সেয়ে লুইতৰ পাৰত কোৱা শুনো, "ব্ৰহ্মপুত্ৰৰ দৰে সহন আৰু গহন" নদী আৰু নাই। লুইত কেতিয়া ডেকা, কেতিয়াবা বুঢ়া, কেতিয়াবা কেচুৱা হয় কব নোৱাৰি। আজি আমাৰ ফট্ ফট্ কথা। কিন্তু লুইত নিমাত। কিয়? আজি বতাহ নাই। আছে যদিও বতাহো শান্ত। প্ৰকৃতিৰ সকলো বস্তু একে লগে গৰম আৰু একেলগে নৰম হয় নেকি? আজি তেনেযেন গম পালোঁ। সিপাৰ পালোঁ। মই বেনুধৰ শৰ্মাৰ আদ্য শ্ৰাদ্ধৰ চিঠি বিলোৱাত ব্যস্ত হলোঁ। সেয়ে ডায়েৰিখন বৰ্মনে লৈ গৈ বিক্সাত উঠিল। তেওঁলোক ৰিক্সাত গ'ল। মই খোজ ললোঁ। কলেজ পালোঁ। উপস্থিতি হাজিৰা বহীত চহি কৰিলোঁ। তাৰ পিচত লাইব্ৰেৰিয়ান ৰমাকান্ত বৰুৱাৰ চাইকেলখনলৈ চিঠি বিলোৱাত লাগিলো। চিঠিখিনি বিলাই কলেজলৈ ঘূৰি আহিলোঁ। তাৰ পাচত আকৌ ডায়েৰিৰ কথা। কলেজৰ সকলোৱে ডায়েৰিখন পঢ়িছিল। অধ্যাপক হিতেন

ওভোতাই দিলে

ভট্টাচাৰ্য্যই কলে, "মৰে এই সংবাটোৰ লগত নিশ্চিত মৃত্যু শব্দটো দি বাতৰিটো দিছোঁ কিন্তু।" মই তেতিয়াও এই ডায়েৰবি ওপৰত কোনে কি মন্তব্য দিছিল জনা নাছিলোঁ। সকলো কলেজ কেন্টিনত গোট খালোঁ। আজি সকলোবে মুখত হাঁহি।" ভট্টই কোৱা শুনিলোঁ, "আপোনালোকে হাঁহিছে। হাঁহা কথা নহয়। সিদিনা সৰ্ব্বনাশ হ'ল হয়। ইমানবোৰ জীৱ!" তেওঁ জাহাজত সিদিনা নাছিল। কিন্তু ১২-১৫ ৰ ফেৰিত সিদিনা পাৰ হবলৈ আহি আমাৰ ঘটনাটো শুনি খঙত জ্বলি উঠিছিল। ধীৰেন কলিতা আৰু বায়নে গগৈক উলুবাৰীৰ পৰা ফাঁচী বজাৰৰ ঘাটলৈ লৈ অহাৰ পাচত সিদিনা যিখন মিটিং বহিছিল তাতে ভূপেন ডেকা আৰু ভট্টইও যোগ দিছিল। যোগ দিয়াই নহয়, ধীৰেন কলিতাই যি কৈ গৈছিল সকলোতে 'ইয়েচ ইয়েচ" কৰি গৈছিল। ভট্টই সঁচা প্ৰতিপন্ন কৰিবলৈ কলিতাই দি যোৱা সকলো যুক্তিকে সঁচা বুলি দেখুৱাই গৈছিল। সি যি কি নহওঁক ৫ মাৰ্চত কলেজ কেন্টিনত আমাৰ এখন আনন্দৰ মেলা বহিছিল। মৃতুমুখী যাত্ৰী নমৰি ঘূৰি অহাৰ মেলা। সকলোবে সমবেদনা। ৰাজুবালা উজীৰ, মীৰা বৰুৱা, পৰমা কলিতা, কাৰ্ত্তিক শৰ্মা সকলো তাত লগ লাগিছিল। তাৰ পাচত ডায়েৰি পঠন আকৌ আৰম্ভ হৈছিল। পঢ়িছিলোঁ মৰে। উজীৰে মাজতে কৈ উঠিছিল, "গোস্বামী, আপুনি এইটো ঘটনা এতিয়াই নচপাবচোন, আৰু কথা শুনাব। কোনে কি কয় শুনি লওঁকচোন।" বেছি কথা নোকোৱা মানুহ গৰাকীয়েও সিদিনা এইখিনি কথা কৈছিল। প্ৰফুল্ল কাকতিয়ে হঠাতে তাত উপস্থিত হৈ কছিল, "প্ৰভু, তুমি মৰা বুলিহে শুনিছিলো। পিচে মৰা নাই দেখোন।" মই বায়নৰ হাতৰ পৰা ডায়েৰিখন লৈ আনি কেৱল পঢ়াত ব্যস্ত। এইটো প্ৰতিপন্ন কৰাত মই ব্যস্ত—যেন সিদিনা মই একেবাৰে "নাৰ্ভাচ" হোৱা নাছিলোঁ। ধীৰেন কলিতাই ডায়েৰি পঢ়ি থকাৰ মাজতে কৈ উঠিল, "সিদিনা মোৰ মিচেচে

ব্ৰহ্মপুত্ৰই আমাক



দুবাৰ ধূপ জ্বলাই আৰু দুবাৰে নুমায়। তৃতীয়বাৰতহে জ্বলে। তেতিয়াই তেওঁ ভাবিছিল সিদিনা মোৰ কিবা এটা বিপদ হৈছে।" ভূপেন ডেকাই টিলিকি মাৰি মোৰ ডায়েৰিখন উৰুৱাই দি কৈছিল, "তোমাৰ এইখন একো হোৱা নাইহে গোস্বামী—অ' হব! যদি তুমি আইচেন হাৱাৰে ঈশ্বৰ নাই বুলি কৈও যে ঈশ্বৰ আছে বুলি প্ৰমাণ কৰিছিল সেই নিচিনা জাহাজ ডুবাৰ ঘটনা ইয়াত সুমুৱাই দিয়া। তেতিয়াহে ইয়াৰ সোৱাদ ওলাব। নহলে····।" মই ডেকাৰ কথাৰ উত্তৰত কলোঁ, "মইতো কাহিনী লিখা নাই নাইবা ঘটনাও লিখা নাই, মই লিখিছোঁ ডায়েৰি। গতিকে মই ৰসনসনা কথা লিখাৰ প্ৰয়োজন বোধ কৰা নাই, ভাবি চান বাৰু।" তাৰ পিচত ডেকাই আকৌ আৰম্ভ কৰি ক'লে, "হেৰা গোস্বামী, দৌল গোবিন্দলৈ অহা পশ্চিমবঙ্গৰ যাত্ৰীৰ দলটোৱে পানীৰ মাজতে জাহাজৰ দুৰ্ঘটনা দেখি বুঢ়া বাবা ব্ৰহ্মপুত্ৰকে (লুইতক দৌল গোবিন্দলৈ অনা গাখীৰেৰে কেনেকৈ পূজা কৰিলে সেইখিনি কথা, তোমাৰ ডায়েৰিৰ পৰা বাদ নিদিবা কিন্তু। তাৰ পাচত তেওঁ আকৌ ক'লে, "গাংগুলিয়ে সিদিনা ঘটনা স্থলিত গায়ত্ৰী মন্ত্ৰ জপকৰাৰ কথাও বাদ নিদিবা।" আকৌ এজনে কলে উত্তৰ গুৱাহাটী ইউনাইটেড বেঙ্কৰ শাখা মেনেজাৰ পাল বাবুৰ কথাও লিখিব—তেওঁৰ গাত সৰুকুটিয়া ঢৌ লগত কৈছিল "এতাই কি দেখচেন পদ্মাৰ ঢেউ আৰ বৰ। "ব্ৰহ্মপুত্ৰৰ মাজত সাগৰ সদৃশ ঢৌৱে জাহাজ কপোৱাত তেওঁ কবলৈ ধৰিলে, "না বাবা না, ব্ৰহ্মপুত্ৰৰ ঢেউ পদ্মাৰ চেয়ে বৰ বৰ।" এইদৰে সমালোচনাৰ মাজেদি মই ডায়েৰি পঢ়ি গৈ আছিলোঁ। এনেতে কলেজৰ অধ্যক্ষ (মণীন্দ্ৰ কুমাৰ বৰুৱা) কেন্টিনত সোমালহি। তেওঁ ডায়েৰি শুনাত মন দিয়া নাই। নীৰৱে চাহ খাব সোমাইছে। ততালিকে চাহ খাই উঠি গুচি গ'ল। মাত্ৰ যাওঁতে কৈ গ'ল, "জাহাজ ইমান সোনকালে নুবুৰে, আপোনালোকে কিজানি মিছায়ে ভয় খাইছে। ৬০ বছৰ আগতে এবাৰ জাহাজ বুৰা বুলি

ওভোতাই দিলে

শুনিছোঁ ; তাৰ পাচত এইবাৰ শুনিলো কিন্তু । এতিয়াওটো জাহাজ বুৰা নাই !” এই কথা শুনি সন্ধ্যাই কৈ উঠিছিল– “পাব পালে সকলোৱে তেনেকৈ কব পাৰে ।” অধ্যক্ষৰ দুৰ্জ্জয় সাহস । তেওঁ জাহাজত খুব কমেই পাৰ হয় । ভৰ বাৰিষাও নাৱৰেহে পাৰ হয় । কেতিয়াবা আমি তেওঁৰ লগত নদী পাৰ হলে কয়, “ভয় নকৰিব । নাওত গলে লৰচৰ কৰিব নেলাগে, চাবকাচত বহি ডালৰ ওপৰেদি ছোৱালীজনীয়ে ‘বেলেন্স’ ৰাখি অগা যোৱা কৰাৰ দৰে নাৱত বহি যাব ।” অধ্যক্ষৰ জাহাজ নুবুৰে বুলি কোৱা কথাৰ প্ৰত্যুত্তৰত ধীৰেন কলিতাই কৈছিল “মই সিদিনা সঁচাকৈ মৰিম বুলি ভাবিছিলোঁ । যেতিয়া জাহাজৰ গ্লাচ ভঙি পানী সোমাবলৈ ধৰিছিল তেতিয়া ।” এনেতে বায়নে ক’লে “গোস্বামী, এই ডায়েৰিত বিয়োগ কৰিবলগীয়া একো নাই সংযোগ কৰিবলগীয়া কথাহে আছে । যেনে—জাহাজখনৰ নাম আপুনি “মানস” দিছে । ইংৰাজীত “মানা-হ”হে লিখা আছে । আৰু এটা কথা যোগ দিব আমি যে মিটিং কৰিলো ; মিটিং কৰোতে গগৈক জাহাজৰ সেই আকৰ্মনীয় কেইজনক একচন লবলৈ দিওতে তেওঁলোকে “নোৱাঁৰো” বুলি কোৱা কথা । কিয়নো তেওঁ-লোকে যদি অনুসন্ধান নকৰাকৈ সিহঁতৰ ওপৰত “একচন” লয় তেনেহ’লে ডিচপুৰে ততালিকে তেওঁলোকৰো ওপৰত “একচন” লব, ইত্যাদি । ধীৰেন কলিতাই সম্ভৱ কৈছিল, “গগৈ আমাক ক’লে সেইখন জাহাজ ভাল । সহজে নুবুৰে । কেতিয়াও বুৰিব নোৱাৰে ; খুব ভাল জাহাজ । মই আজি কালি জাহাজৰ সকলো খবৰ লব নোৱাৰোঁ । জাহাজ বেছি হ’ল । আগতে কেৱল এখন জাহাজ আছিল “পানচৈ” (পানশৈ) । এতিয়া বহুত জাহাজ ; বহুত কাম । আপোনালোকে মোক ক্ষমা কৰিব ।” এইদৰে সিদিনাৰ মিটিং শেষ হৈছিল । অধ্যাপক ভৈৰৱচন্দ্ৰ শৰ্মাই মোক ডায়েৰী পঢ়ি থাকোতে কৈছিল, “গোস্বামী, আপোনাৰ বৰ্ণনা খুব ভালেই হৈছে । মাত্ৰ এটা কথা ময়ো সংযোগ

ব্ৰহ্মপুত্ৰই আমাক



কৰিবলৈ কওঁ, পানচৈ নোহোৱাৰ আগতে যে আমি নাৱেৰে বা লান্সৰেহে পাৰ হৈছিলোঁ । সেই দুৰ্গতি জাহাজ হোৱাৰ পাচত আতৰিছে । সেই কথাও আপোনাৰ ডায়েৰীত সোমাব কিন্তু ।” মনে মনে ঘোপা কৰি চাই থকা বায়নে কৈছিল, “মোৰ আৰু এটা দৃশ্য মনত পৰিছে, জাহাজ যেতিয়া অশ্বক্ৰান্তৰপৰা পিচুৱাই পিচুৱাই গৈ একেবাৰে মাজ পানীত টুলুং ভুটুং লগাব ধৰিলে, তেতিয়া এই ভয়ানক অৱস্থাৰ কথা জনা উত্তৰ গুৱা-হাটীৰ সকলো মানুহে আতুৰ হৈ লুইতৰ পাৰলৈ আহি সকলোৱে আৰ্তনাদ কৰা দৃশ্য মই হলে দেখা পাইছিলোঁ । সেই কথাও সোমাব কিন্তু ।” মই ক’লোঁ, “হব বাৰু । সোমাব ।” এনে ঘটনা আমাৰ জীৱনত আৰু ঘটক যদি নকৰোঁ ।

**মঙ্গলবাৰ ৮ বজা ৰাতিপুৱা**

ডায়েৰি লিখা সময় ক্ৰমে বাঢ়ি গৈ আছে । শেষত ডায়েৰি লিখাই নহব কিজানি । পানীত পৰা ডায়েৰিৰ কথাই আজি আকৌ লিখিম । পানীত পৰা ডায়েৰি বুলিছো যদিও যাত্ৰীবাহী “মানস” খনে আমাক পানীত নামিবলৈ দিয়া নাছিল । জাহাজৰ বুকুৰ ওপৰতে আমি আৰ্ত্তনাদ কৰি আছিলোঁ । সি যি কি নহওক সিদিনাৰ ঘটনাটো ভুক্তভোগীৰ বাহিৰে আনে নেজানে । পানীত পৰা দৃশ্য সৰুতে দেখা পাইছোঁ । আমাৰ গাৱঁৰ শালমাৰাত ৰাধা কলিতা (দোকানী) বৰনদীত মাছ মাৰিবলৈ যাওঁতে পানীত পৰিছিল । আমি তেতিয়া সৰু সৰু । একে-গাৱঁতে আছো যদিও তেওঁলোক গ্ৰেণ্ড্ট্ৰাংক ৰোডটোৰ দক্ষিণে থাকে আৰু আমি থাকো উত্তৰে । তেওঁক বৰ নদীৰ পানীত “পৰ্‌ ড়ি” জালে হেচি ধৰিলে আৰু তেওঁৰ মৃত্যু হ’ল । আমি তেওঁৰ মৰাশ দেখি চকুলো টুকিছিলোঁ । ২ মাৰ্চৰ ( ১৯৮১ ) দিনা যি করুণ ঘটনা ঘটিল তাৰ বিৱৰণ মই ইয়াতকৈ বেছি দিব নোৱাৰিম । হিতেন্দ্ৰনাথ ভট্টাচাৰ্য্য জাহাজত থাকিলে হিউমাৰ কৰি সকলোকে

ওভোতাই দিলে

Central Library
Assam Women's University
Accession No.:
Date. 1 12

মুগ্ধ কৰি ৰাখিলেহেতেন। তেওঁ হিউমাৰৰ ওজা। আন এজনে কোৱা কথা। সম্ভৱ ভুপেন ডেকাই কৈছিল, "সিদিনা পৰমা কলিতা থকা হলে ঘটনা অন্য হ'লহেতেঁন। তেওঁ বঙা কাপোৰ দেখুৱা মানুহ। এদিনাখন জাহাজত কিবা এটা বিপদৰ আগজাননী পাই তেওঁ বঙা কাপোৰ দেখুৱাইছিল।"

১২ মাৰ্চ, ১৯৮১ চন

ধনশিৰীয়া ডেকা হিৰেণ হাজৰিকাক কলেজলৈ যাওঁতে লগ পালোঁ। তেৱোঁ সিদিনাৰ জাহাজৰ কথা জানে। তেৱোঁ জাহাজত আছিল। তেওঁৰ মনোভাব ললোঁ। তেওঁ হেনো ভয় কৰা নাছিল। ভয় নকৰা মানুহ এতিয়ালৈ এজনহে পালোঁ। তেওঁৰ ধনশিৰিত গা ধোৱা, সাতোৰা অভ্যাস আছে। সেয়ে নিৰ্ভয়ে জাহাজৰ এটা খুটাত ধৰি আছিল। জাহাজ ডুবিলে তাতে ধৰি ওপঙি থাকিম বুলি বিশ্বাস কৰিছিল। তেওঁৰ ঘৰ গোলাঘাটত। এইখন ধনশ্ৰী নৈ নগাপাহাৰৰ পৰা ওলাই আহিছে।

উত্তৰ গুৱাহাটীৰ বীৰেন, দাসক কলোঁ, "বুজিছা বীৰেন, তোমালোকক ব্ৰহ্মপুত্ৰখনে সাহসী কৰিছে নহয় জানো?" তেওঁ ভালদৰে কব নোৱাৰিলে; কিন্তু অধ্যাপক কাৰ্ত্তিকচন্দ্ৰ শৰ্মাই ভাল ৰাখ্যা এটা দিলে, "আমি বাবা ব্ৰহ্মপুত্ৰৰ বুকুতেই ডাঙৰ হৈছো। দেউতাকক যিদৰে এটা শিশুৱে কিমান ডাঙৰ নেজানে আমিও সেইদৰে ব্ৰহ্মপুত্ৰ কিমান ডাঙৰ। নেজানোঁ পিছে আপোনাৰ কথা ঠিক। আমাৰ উত্তৰ গুৱাহটীয়াক লুইতেই সাহসী কৰি তুলিছে।"

ব্ৰহ্মপুত্ৰই আমাক



১৭ মাৰ্চ ১৯৮১ চন
মঙ্গলবাৰ

২ মাৰ্চৰ দিনা যি ঘটনা ঘটিল সঁচাকৈ সেইটো ভয়ানক দুৰ্ঘটনা। কিয়নো উত্তৰ গুৱাহাটীৰ মানুহে বাবা ব্ৰহ্মপুত্ৰক ভয় নকৰে। কিন্তু সিদিনা জাহাজত যিসকল উত্তৰ গুৱাহাটীৰ মানুহ আছিল তেওঁলোকেও ভয় খাইছিল। সেয়ে কওঁ এই ঘটনা সঁচাকৈ মৃত্যুৰ মুখৰ পৰা ঘূৰি অহা ঘটনা।

বাৰিষাৰ ব্ৰহ্মপুত্ৰৰ যৌৱনৰ নাচনতকৈ বৰদৈছিলা মাকৰ ঘৰলৈ অহাৰ সময়ৰ ব্ৰহ্মপুত্ৰৰ নাচোন বেছি উগ্ৰ। কেচুৱা, যুৱত আৰু বুঢ়া এটা তিনিটা ৰূপতে এতিয়ালৈকে প্ৰতিবছৰে ব্ৰহ্মপুত্ৰক আমি লগ পাই আহিছোঁ।

ওভোতাই দিলে